**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-04-2025
**Time :** 2125 HRS

***Assamese Night Bulletin***
- - - - - - - - - - - - - -

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নৱ নিৰ্বাচিত ৩৬ গৰাকী পাৰিষদে আজি দুধনৈত শপত গ্ৰহণ কৰে। দুধনৈৰ উদয়পুৰস্থিত সচিবালয়ৰ চৌহদত আজি বিয়লি আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী ডাঃ ৰণোজ পেগু, জয়ন্ত মল্লবৰুৱাকে ধৰি ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী বিধায়কে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লোৱাৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে ৰাভা বীৰ পৰশুৰামৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰীৰ উপস্থিতিত জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে নৱ নিৰ্বাচিত পাৰিষদসকলক শপত বাক্য পাঠ কৰোৱায়। এই অনুষ্ঠানতে টংকেশ্বৰ ৰাভাই তৃতীয়বাৰৰ বাবে পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। একেদৰে সোনাৰাম ৰাভাই অধ্যক্ষ আৰু অলকা ৰাভাই উপাধ্যক্ষ হিচাপে শপত লয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি এই অনুষ্ঠানত অংশ লৈ জনসাধাৰণৰ সহযোগিতাৰে চৰকাৰে ৰাভা জনগোষ্ঠীৰ লগতে অনান্য সম্প্ৰদায়সমূহৰ লোকসকলৰ আশা-আকাংক্ষা পূৰণ কৰাৰ লক্ষ্যৰে কাম কৰি যাব বুলি প্ৰকাশ কৰে।

০০০০

কোকৰাঝাৰ জিলাৰ হৰিণাগুৰিৰ বাওখুংগ্ৰী পাহাৰত কালিৰে পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত দ্বাদশ বাওখুংগ্ৰী মহোৎসৱৰ আজি দ্বিতীয় দিনা বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়।

বিটিআৰৰ পৰ্যটন বিভাগে কালি চাইক্লিং প্ৰতিযোগিতাৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰিছিল। ৩ দিনীয়া এই মহোৎসৱৰ অংশ হিচাপে পাহাৰ বগোৱা, চাইক্লিং, পেৰাগ্লাইদিং, এয়াৰ বেলুন উৰুৱা, খাদ্য মহোৎসৱ আৰু সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে বড়ো জনগোষ্ঠীৰ নৱবৰ্ষৰ উৎসৱ বৈশাগু বা ৰঙালী বিহুৰ পূৰ্বে জনগোষ্ঠীটোৱে এই বাওখুংগ্ৰী পাহাৰ বগোৱা উৎসৱৰ আয়োজন কৰে। পৰম্পৰাগত বিশ্বাস অনুসৰি এই পাহাৰ বগাই শীৰ্ষলৈ গৈ ইষ্ট দেৱতাৰ আৰাধনা কৰাৰ দ্বাৰা বছৰটোলৈ অসুখ, অশান্তি, আৰু দূৰ্ভাগ্য নাশ হয়। ২০১৩ চনৰ পৰা বিটিচিৰ পৰ্যটন বিভাগে এই উৎসৱৰ আয়োজন কৰি ইয়াৰ অংশ হিচাপে দুঃসাহসিক ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে।

০০০০

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৌৰীৰ সভাপতিত্বত ডিব্ৰুগড় নগৰ অঞ্চলৰ বানপানীৰ সমস্যা সমাধানৰ বাবে এন এইছ বিৰ পুঁজিৰে এম জে বি টিৰ পৰা চেঁচা নদীলৈকে হ'বলগীয়া নলা নিৰ্মাণৰ কাম সুচাৰুৰূপে ৰূপায়ণ কৰিবলৈ কালি সন্ধিয়া এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত দুলীয়াজান সমজিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, ডিব্ৰুগড় পৌৰ নিগমৰ কাৰ্যবাহী বিষয়াকে ধৰি সমিতিৰ আন আন সদস্যসকল উপস্থিত থাকে।

০০০০

তিনিচুকীয়া জিলাৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ পৰীক্ষাৰ অন্তত জিলা পৰিষদৰ ২২খন আসনৰ বাবে দাখিল কৰা মুঠ ৬৭জন প্ৰাৰ্থীৰ আটাইকেইখন মনোনয়ন-পত্ৰ বৈধ বুলি বিবেচিত হৈছে। প্ৰতিখন আসনৰ বিপৰীতে ২ বা ততোধিক মনোনয়ন দাখিল হৈছে। আঞ্চলিক পঞ্চায়তৰ বাবে মুঠ ২০৫খন মনোনয়ন বৈধ বিবেচিত হৈছে। অৱশ্যে আঞ্চলিক পঞ্চায়তৰ সদস্যপদৰ বাবে দাখিল হোৱা মুঠ ৭খন মনোনয়ন বিভিন্ন কাৰণত নাকচ কৰা হয়।

০০০০

তিনিচুকীয়া জিলাৰ সমন্বয় সমাজ কল্যাণ যুৱ সন্থাৰ লাইপুলি সমিতিয়ে আজি লাইপুলি প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে চতুৰ্থ বাৰ্ষিক ব'হাগ আদৰণি, সম্বৰ্দ্ধনা আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰে। দেৱকান্ত চেতিয়াৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানটোত সমাজৰ ভিন ভিন ক্ষেত্ৰলৈ অৱদান আগবঢ়োৱা কেইবাগৰাকীও ব্যক্তিক বিহুৰ শুভেচ্ছা জনোৱা হয়। অনুষ্ঠানত পৰিবেশ সুৰক্ষা সমিতি অসমৰ দ্বাৰা গছপুলি ৰোপন আৰু বিতৰণৰ কাৰ্যসূচী অনুষ্ঠিত হয়।

oooo

অসমৰ আনবোৰ জিলাৰ লগতে লখিমপুৰতো ৰঙালী বিহুক আদৰিবলৈ ৰাইজৰ মাজত ব্যাপক প্ৰস্তুতি দেখা গৈছে। কাইলৈ গৰু বিহু উপলক্ষে গৰুক গা ধোৱোৱা সামগ্ৰী যেনে- দীঘলতি, মাখিয়তী, হালধি, থেকেৰা, তিতাকেৰেলা, জাতি লাও আদি যোগাৰৰ বাবে ঘৰে ঘৰে ব্যস্ততা দেখা গৈছে। একেদৰে ঘৰতেই প্ৰস্তুত কৰা পিঠাপনাৰে বজাৰো ভৰি পৰিছে। বিহু উপলক্ষে নতুন কাপোৰকানিৰ লগতে বিহুৱান কিনিবলৈও গ্ৰাহকে বজাৰত ভিৰ কৰিছে।

oooo

সদৌ মঙলদৈ ৰঙালী বিহু সন্মিলনীৰ উদ্যোগত অসম ভিত্তিত হোৱা চাইক্লিং প্ৰতিযোগিতাত গুৱাহাটীৰ ৰিমাঞ্জু ৰয়ে শ্ৰেষ্ঠত্ব অৰ্জন কৰিছে। বাইহাটা চাৰিআলিৰ পৰা মঙলদৈ গান্ধী ময়দানৰ বিহুতলীলৈ ৩৫ কিলোমিটাৰ দূৰত্বৰ এই প্ৰতিযোগিতাত ৰিমাঞ্জুৰে শ্ৰেষ্ঠত্ব অৰ্জন কৰি হাছিনা বেগম সোঁৱৰণী ট্ৰফীসহ নগদ পুৰস্কাৰ লাভ কৰিছে। গুৱাহাটীৰ প্ৰিন্স কুমাৰ ডেকাই দ্বিতীয় আৰু গুৱাহাটীৰ সুমনজ্যোতি দাসে তৃতীয় স্থান লাভ কৰিছে।

oooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি মুম্বাই ইণ্ডিয়ানছ, ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। টছত জিকি ডেলহী কেপিটেলছে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। মুম্বাই ইণ্ডিয়ানছে ডেলহি কেপিটেলছক বিজয়ৰ বাবে ২০৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। দলটোৰ হৈ তিলক বাৰ্মাই ৩৩টা বলত ৫৯ ৰাণ সংগ্ৰহ কৰে। ডেলহি কেপিটেলছৰ ৱিপৰাজ নিগম আৰু কুলদ্বীপ যাদৱে দুটাকৈ উইকেট দখল কৰে।

আজি জয়পুৰত অনুষ্ঠিত আন এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে-ৰাজস্থান ৰয়েলছক ৯ টা উইকেটত পৰাস্ত কৰে।

oooo

সমাপ্ত